# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 27-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
***::::::::::::::::::::::::::::::::***

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পক্ষী সমীক্ষাত ৪৩টা প্ৰজাতিৰ পক্ষীৰ তথ্য পোৱা গৈছে বুলি প্ৰধানমন্ত্ৰীৰ মন কী বাতত প্ৰকাশ।

২। ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিৰ বুথসমূহত মন্ত্ৰী, বিধায়কসকলৰ মন কী বাতৰ শ্ৰৱণ।

৩। উৰিয়ামঘাটত পৰহিলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগ তৎপৰতা বৃদ্ধি। পূৰ্বে উচ্ছেদিত লোকসকলক আন ঠাইত প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু বুলি মন্ত্ৰী কেশৱ মহন্তৰ প্ৰকাশ।

৪। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন খেলত আজি আই টি বি পি ফুটবল দলৰ কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত। *আৰু*

৫। অ'ল্ড ট্ৰেফ'ৰ্ড টেষ্টৰ অন্তিম দিনা কে এল ৰাহুল আৰু শুভমন গিলৰ দৃঢ়তাপূৰ্ণ বেটিঙেৰে খেলখনত পৰাজয়ৰ হাত সাৰিবলৈ ভাৰতৰ প্ৰয়াস অব্যাহত।

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰথমবাৰৰ বাবে কৰা পক্ষী সমীক্ষাত ৪৩টা প্ৰজাতিৰ পক্ষীৰ তথ্য পোৱা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাতৰ ১২৪ সংখ্যক খণ্ডত এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই সমীক্ষাত কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰৰ জৰিয়তে শব্দ বাণীবদ্ধ কৰা কিছু আহিলা স্থাপন কৰাৰ পাছত তাত বাণীবদ্ধ হোৱা শব্দসমূহ বিশ্লেষণ কৰা হয়। এই পদক্ষেপৰ সৈতে জড়িত সমগ্ৰ দলটোক প্ৰশংসা কৰি শ্ৰীমোদীয়ে দেশৰ জৈৱ বিচিত্ৰতাৰ আন্তৰ্জাতিক স্বীকৃতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এনে পদক্ষেপসমূহৰ সংবৰ্ধন হোৱা উচিত বুলি মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কাজিৰঙাৰ অতুলনীয় সৌন্দৰ্যৰ কথা প্ৰকাশ কৰি ৰাষ্ট্ৰীয় উদ্যানৰ বিপন্ন প্ৰজাতিৰ চৰাইৰ বাসস্থানৰ বিষয়ে উল্লেখ কৰে। তেওঁ প্ৰথমবাৰৰ চলোৱা এই তৃণভূমিৰ চৰাইৰ জৰীপৰ শলাগ লৈ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত অসমে গ্ৰহণ প্ৰচেষ্টা আৰু ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বিষয়ে উল্লেখ কৰে।

বাইট

শ্ৰীমোদীয়ে কয়, যে একবিংশ শতিকাৰ ভাৰতত শক্তি নৱীকৰণৰ সৈতে বিজ্ঞান অগ্ৰগতিৰ দিশে ধাৱিত হৈছে। বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা মহাকাশৰ পৰা সুকলমে প্ৰত্যাৱৰ্তন কৰাত সমগ্ৰ দেশ গৌৰৱান্বিত হোৱা বুলি তেওঁ উল্লেখ কৰে। ২০২৩ চনৰ আগষ্টত চন্দ্ৰযান-৩ৰ সফল অৱতৰণে দেশত এটা নতুন পৰিবেশ সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে শিশুসকল বিজ্ঞান আৰু মহাকাশৰ প্ৰতি কৌতুহলী হৈ উঠাৰ লগতে তেওঁলোকে

মহাকাশ বিজ্ঞানী হোৱাৰো লক্ষ্য লৈছে। প্ৰধানমন্ত্ৰীয়ে শিশুসকলৰ মাজত উদ্ভাৱনী প্ৰতিভাৰ বিকাশৰ লক্ষ্যৰে হাতত লোৱা **ইন্সপায়াৰ মানক** শীৰ্ষক অভিযানৰ বিষয়েও উল্লেখ কৰে। এই পদক্ষেপৰ অধীনত প্ৰত্যেকখন বিদ্যালয়ৰ পৰা পাঁচোটিকৈ শিশুক বাছনি কৰা হয়। এতিয়ালৈ কেইবালাখ শিশুৱে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

অহা ২৩ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে নমো এপৰ জৰিয়তে এই দিৱস উদ্‌যাপন সন্দৰ্ভত নিজৰ মনোভাৱ প্ৰকাশ কৰিবলৈ শ্ৰোতাসকললৈ আহ্বান জনায়।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিজেপিৰ বুথসমূহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠান শুনাৰ ব্যৱস্থা কৰা হয়। মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে ডিব্ৰুগড়ৰ ১৫৮ নম্বৰ বুথত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মন কী বাত শ্ৰৱণ কৰে। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে ধেমাজিৰ নিমাতীচুক হৰিমন্দিৰ প্ৰাংগণত জনসাধাৰণৰ সৈতে মন কী বাতৰ আজিৰ খণ্ডটো শুনি আপ্লুত হোৱা বুলি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কাজিৰঙাত তৃণভূমি চৰাইৰ জৰীপত ৪৩টা প্ৰজাতিৰ বিশেষ পক্ষীৰ তথ্য লাভ কৰাৰ বিষয়টো প্ৰকাশ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰি ডাঃ পেগুৱে কয়, যে মন কী বাতত বিজ্ঞান, সংস্কৃতি, ইতিহাস, পৰিৱেশ, নাৰী সৱলীকৰণ আদিৰ দিশত পৰিলক্ষিত হোৱা ইতিবাচক বাৰ্তাই সকলোকে অনুপ্ৰাণিত কৰিছে।

**বাইট (ৰণোজ পেগু)**

শ্ৰীভূমি চহৰৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মন কী বাতৰ শ্ৰৱণ কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষ্ণেন্দু পাল, কৌশিক ৰায়, উত্তৰ কৰিমগঞ্জৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত পৰহিলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে। অৱশ্যে একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক কাইলৈৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকীয়াই দিছে। এই সন্দৰ্ভত গোলাঘাটৰ পৰা এয়া আমাৰ সংবাদদাতা হিৰণ্য গগৈ–

**ভইচ (হিৰণ্য গগৈ)**

ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব।

মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে। গাঁওখনৰ ২০৫টা পৰিয়ালে বনভূমি দখল কৰি থকাৰ তথ্য লাভ কৰি গোলাঘাট জিলা বন বিভাগে ৭ দিনৰ ভিতৰত ঠাইখন খালী কৰিবলৈ যোৱা ২৪ জুলাইত জাননী জাৰি কৰিছিল।

ইপিনে, নগাঁও জিলাৰ হাতীচোং মৌজাৰ দুটা স্থানত প্ৰশাসনে উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰি দখলকাৰীলৈ জাননী জাৰি কৰিছে। এই জাননীৰ জৰিয়তে লোকসকলক সংৰক্ষিত বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ

দিয়া হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে হাতীচোং মৌজাৰ গৰৈমাৰী পথাৰ কিচামতৰ ৭২ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ লগতে বগৰীগুৰি পাম কিচামতৰ ৬২ আৰু ৬৩ নম্বৰ চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত উচ্ছেদ চলোৱাৰ বাবে প্ৰশাসনে সিদ্ধান্ত লৈছে।

ইফালে ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলা উচ্ছেদ অভিযানৰ ফলত উচ্ছেদিত লোকসকলে আন কিছু অঞ্চলত আশ্ৰয় লোৱা বুলি প্ৰশাসনে লাভ কৰা তথ্যৰ ভিত্তিত মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰত বিষয়টোৰ বিস্তৃতভাৱে পৰ্যালোচনা কৰে। উচ্ছেদিত লোকসকলৰ আন ঠাইত প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত দুৰ্বৃত্তই যোৱা নিশা সীমাৰ স্তম্ভ ভাঙি দিয়াৰ ফলত পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰে। আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনোৱা মতে যোৱা দুদিন ধৰি অসমৰ সীমাৰ পথাৰত মেঘালয়ৰ দুৰ্বৃত্তই ধানখেতি উভালি তহিলং কৰে। ইয়াৰ পাছত যোৱা নিশা পুনৰ এনে ঘটনাৰ পুনৰাবৃত্তি হোৱাত সীমান্ত অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে।

০০০

বিশিষ্ট ভাষাবিদ তথা শিক্ষাবিদ টাবুৰাম টাইডৰ স্মৃতিত ২০২৫ বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটা অৰুণাচল প্ৰদেশৰ জনপ্ৰিয় সাহিত্যিক য়েছে দৰজে ঠংছিলৈ আগবঢ়োৱা হৈছে। মিচিং ভাষাৰ বিশিষ্ট লেখক ডাঃ বিদ্যেশ্বৰ দললৈ টাবুৰাম টাইড মিচিং সাহিত্য বঁটা আগবঢ়োৱা হৈছে। একেদৰে জনগোষ্ঠীয় পটভূমিত ৰচনা কৰা **লাঙাদেউ** নামৰ গ্ৰন্থখনৰ বাবে পংকজ কুমাৰ দত্তলৈ উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা আগবঢ়োৱা হৈছে। তদুপৰি পৰৱৰ্তী সময়ত টাবুৰাম টাইড অনুবাদ সাহিত্য বঁটা আৰু টাবুৰাম টাইড ফেল'শ্বিপ প্ৰদান কৰা হ'ব। টাবুৰাম টাইড স্মৃতি ন্যাসৰ অধ্যক্ষ তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইকথা প্ৰকাশ কৰিছে। বিশিষ্ট ভাষাবিদগৰাকীৰ ৮৩ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত অহা এক আগষ্টত ধেমাজিৰ গোগামুখত টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুথিভঁৰাল প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। সেইদিনাই এই বঁটা প্ৰদান কৰা হ'ব বুলি জানিব পৰা গৈছে।

০০০

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত বিশ্বনাথ জিলাত আৱণ্টন দিয়া গৃহসমূহৰ নিৰ্মাণ কাৰ্য অহা ৩০ অক্টোবৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি এখন বৈঠকত নিৰ্দেশ দিয়ে। জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত বিভাগীয় বিষয়াসকলৰ লগতে অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, পৰ্যটন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ বিষয়ববীয়াৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে এই নিৰ্দেশ দিয়ে। তেঁও কয় যে জিলাখনত ৮৫ হাজাৰতকৈ অধিক গৃহৰ আৱণ্টন দিয়া হৈছিল আৰু ইয়াৰ ভিতৰত ৫০ হাজাৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। বাকী থকা গৃহসমূহৰ নিৰ্মাণকাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ শ্ৰীদাসে নিৰ্দেশ দিয়ে। তেঁও কয় যে জিলাখনৰ প্ৰায় ৯৫ হাজাৰ মহিলা মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ বাবে নিৰ্বাচিত হৈছে। তেওঁলোকক শীঘ্ৰে লাখপতি বাইদেউ হিচাপে ৰূপান্তৰ কৰাৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। এই বৈঠকত বিধায়ক প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱাল আৰু জিলা আয়ুক্ত সীমান্ত দাসৰ উপৰি বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত আছিল।

০০০

৫ দিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড় আজি নতুন দিল্লীলৈ উভতি যায়। কালি সঞ্চালক প্ৰধানগৰাকীয়ে গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ড০ গৌড়ে আকাশবাণীৰ প্ৰাসংগিকতা বজাই ৰখাৰ বাবে অনুষ্ঠানসূচীত নতুনত্ব আনি নতুন প্ৰজন্মক আকৰ্ষিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

ইয়াৰ আগেয়ে সঞ্চালক প্ৰধানগৰাকীয়ে মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰে। আকাশবাণী গুৱাহাটীয়ে আজি সন্ধিয়া সাত বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত সঞ্চালক প্ৰধানগৰাকীৰ গুৱাহাটীত বৈঠক সন্দৰ্ভত এটা অনুষ্ঠান প্ৰচাৰ কৰিব।

০০০

অসম লোকসেৱা আয়োগৰ অধীনৰ নিযুক্তিত অনিয়ম সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা নেতৃত্বাধীন ন্যায়িক আয়োগৰ পৰামৰ্শাৱলী চৰকাৰে কিমান দূৰ কাৰ্যকৰী কৰিছে সেই সন্দৰ্ভত অহা ৩১ জুলাইত উচ্চ ন্যায়ালয়ত তথ্য দাখিল কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰশ্ন উত্থাপন কৰাৰ লগতে তথ্য দাখিলৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ৰাকেশ পাল লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকাৰ সময়ত সংঘটিত কেলেংকাৰীৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ নেতৃত্বত এজনীয়া তদন্ত আয়োগ গঠন কৰিছিল। আয়োগে ২০১৩ আৰু ২০১৪ বৰ্ষৰ নিযুক্তি কেলেংকাৰী তদন্ত সম্পূৰ্ণ কৰি ৰাজ্য চৰকাৰক ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিছে। আয়োগৰ প্ৰতিবেদনত চৰকাৰক কেইবাটাও পৰামৰ্শ আগবঢ়োৱা হৈছে।

০০০

কামৰূপ জিলাৰ বকো-ছয়গাওঁ সমষ্টিৰ বকো -লাংপি সংযোগী পথটো লংতুৰি পাহাৰ অঞ্চলত যোৱা নিশাৰে পৰা হোৱা ভূমিস্খলনৰ ফলত বন্ধ হৈ পৰিছে। অঞ্চলটোত বিগত কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰৰ মাটি আৰু বৃহৎ আকাৰৰ শিল বাগৰি পৰাত পথটো বন্ধ হৈ পৰে। পথটো বন্ধ হোৱাৰ ফলত কাষৰীয়া জনজাতীয় অঞ্চলৰ ৰাইজ অসুবিধাৰ সন্মুখীন হৈছে। লোক নিৰ্মাণ বিভাগৰ বিষয়া কৰ্মচাৰীয়ে অঞ্চলটো পৰিদৰ্শন কৰি অহা ২-৩ দিনৰ ভিতৰত যাতায়তৰ বাবে সুচল কৰিব পৰা হ'ব বুলি প্ৰকাশ কৰিছে।

০০০

কোকৰাঝাৰত আজিৰে পৰা ১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত হৈছে। জিলাখনৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত কিংবদন্তী ফুটবল খেলুৱৈ সুনীল ছেত্ৰী, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ, ভূটানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ লটে ছেৰিং আৰু মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সেনাবাহিনীৰ জোৱানসকলে কালাৰিয়াপট্টু সমৰকলা পৰিৱেশন কৰি উদ্বোধনী অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত থলুৱা শিল্পীসকলে অঞ্চলটোৰ বৰ্ণাঢ্য পৰম্পৰাক দাঙি ধৰি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

আজিৰ প্ৰথমখন খেলত আই টি বি পি ফুটবল দলে কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। কাৰ্বি আংলং মৰ্নিং ষ্টাৰ এফ চিয়ে অসমৰ দ্বিতীয়টো দলৰূপে এই ঐতিহাসিক ফুটবল প্ৰতিযোগিতাত অভিষেক কৰাৰ গৌৰৱ লাভ কৰিছে।

০০০

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি অন্তিম দিনা ভাৰতে নিজৰ দ্বিতীয় ইনিংছত আমালৈ বাতৰি অহাৰ পৰলৈ ৪ টা উইকেটৰ বিনিময়ত ২৬৫ ৰান সংগ্ৰহ কৰিছে। ভাৰত ইংলেণ্ডতকৈ

সামগ্ৰিকভাৱে এতিয়াও ৪৬ ৰানত পিছপৰি আছে। ৱাশ্বিংটন সুন্দৰে ৩৪ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ২৫ ৰান কৰি খেলি আছে।

ভাৰতে যোৱা নিশা ২টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৭৪ ৰানৰ পৰা আজি অন্তিম দিনাৰ খেল আৰম্ভ কৰে। কালি ৮৭ ৰান কৰি অপৰাজিত হৈ থকা কে এল ৰাহুলে আজি ৩ ৰান কৰিয়ে আউট হয়। ইয়াৰ পাছত অধিনায়ক শুভমন গিল ১০৩ ৰান কৰি আউট হয়।

সম্প্ৰতি এই পাঁচখনীয়া খেলৰ টেষ্ট শৃংখলাত ইংলেণ্ড ১-২ ফলাফলত আগবাঢ়ি আছে।

০০০

সমাপ্ত